# Regional News Unit

akashvani, Guwahati

0000000000

**Date :** 26-07-2024

**Time :** 18-00 Hrs

## *Assamese Evening Bulletin*

## HeadlineS

রাষ্ট্রসংঘৰ শিক্ষা, বিজ্ঞান আৰু সংস্কৃতি সংস্থা চমুকৈ ইউনেস্ক'ৰে আজি চৰাইদেউ মৈদাম ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে ঘোষণা কৰে। এই ঘোষণাৰ লগে লগে সাংস্কৃতিক শ্ৰেণীত মৈদাম ক্ষেত্ৰখন উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বিশ্ব ঐতিহ্য ক্ষেত্ৰ আৰু ভাৰতবৰ্ষৰ ৪৩ সংখ্যক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। চৰাইদেউ জিলাত অৱস্থিত চৰাইদেউ মৈদাম ক্ষেত্ৰক অসমৰ পিৰামিড হিচাপে অভিহিত কৰা হয় আৰু এই ক্ষেত্ৰখনত ৯০ গৰাকীতকৈও অধিক আহোম ৰাজ পৰিয়ালৰ লোকক সমাধিস্থ কৰা হৈছে। ১৩শ শতিকাৰ পৰা ১৮শ শতিকাৰ আহোম ৰাজত্বকালৰ সময়ছোৱাত এই ক্ষেত্ৰখন ৰাজ পৰিয়ালৰ লোকসকলক সমাধি দিয়াৰ বাবে ব্যৱহাৰ কৰা হৈছিল। এই ক্ষেত্ৰখনে আহোম ৰাজত্বৰ সুকীয়া ঐতিহ্য বহন কৰি আহিছে। এনে এখন ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যদা প্ৰদান কৰাৰ লগে লগে সমগ্ৰ ভৰতবাসী উৎফুল্লিত হৈছে। চৰাইদেউ মৈদাম ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য  ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনন্দ আৰু গৌৰৱ প্ৰকাশ কৰিছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকা সন্দৰ্ভত ইউনেস্ক'ৰ পূৰ্বে উল্লেখিত এক্সৰ এটা পোষ্টৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতৰ বাবে এয়া অপৰিসীম আনন্দ আৰু গৌৰৱৰ বিষয়। তেওঁ লগতে কয় যে, চৰাইদেউ মৈদামবোৰে পূৰ্বপুৰুষৰ প্ৰতি সৰ্বোচ্চ শ্ৰদ্ধা তৰ্পণৰ গৌৰৱময় আহোম সংস্কৃতি প্ৰদৰ্শন কৰি আহিছে। বিশ্ব ঐহিত্যৰ তালিকাত স্থান লাভৰ পাছত মহান আহোম শাসন আৰু সংস্কৃতিৰ বিষয়ে অধিক লোকে জানিব পাৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰাইদেউ মৈদামে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভ কৰাটো অসমৰ বাবে স্মৰণীয় দিন হিচাপে উল্লেখ কৰে। এয়া অসমৰ বাবে এটা বৃহৎ প্ৰাপ্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, চৰাইদেউ মৈদাম হৈছে অসমৰ টাই-আহোম জনগোষ্ঠীৰ গভীৰ আধ্যাত্মিক বিশ্বাস, চহকী ঐতিহ্য আৰু স্থাপত্য ভাস্কৰ্যৰ অপূৰ্ব নিদৰ্শন। এই প্ৰাপ্তিৰ জৰিয়তে কাজিৰঙা আৰু মানস ৰাষ্ট্ৰীয় উদ্যানৰ পাছত চৰাইদেউ মৈদাম বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত হোৱাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰ হোৱা বুলি তেওঁ প্ৰকাশ কৰে।

ইফালে চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰ স্বীকৃতি প্ৰদান কৰাৰ পাছত চৰাইদেউবাসী উৎফুল্লিত হৈ পৰে। জিলাখনৰ জনসাধাৰণে আনন্দ-উল্লাসৰ মাজেৰে শুভসংবাদটো উদযাপন কৰে। এই সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ

কৰি মন্ত্ৰী যোগেন মহনে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অশেষ প্ৰচেষ্টাত চৰাইদেউ মৈদামে এই সন্মান লাভ কৰিছে। ইয়াৰ জৰিয়তে চৰাইদেউ মৈদামে বিশ্ব পৰ্যটন মানচিত্ৰত স্থান লাভ কৰিব বুলি তেওঁ প্ৰকাশ কৰে। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা কৰা শুভক্ষণত চৰাইদেউ মৈদামত উপস্থিত হৈ ঐতিহ্যমণ্ডিত আহোম শাসনৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০

সমগ্ৰ দেশতে আজি ২৫ সংখ্যক কাৰ্গিল বিজয় দিৱস পালন কৰা হৈছে। এই দিৱস উপলক্ষে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে সশস্ত্ৰ বাহিনীক কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ অসাধাৰণ শৌৰ্যক স্বীকাৰ কৰে। ১৯৯৯ চনত কাৰ্গিলৰ শিখৰত ভাৰত মাতৃক ৰক্ষা কৰাৰ স্বাৰ্থত সৰ্বোচ্চ ত্যাগ কৰা বীৰ জোৱানসকলৰ প্ৰতি তেওঁ সন্মান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কাৰ্গিল বিজয় দিৱস উপলক্ষে কাৰ্গিল যুদ্ধ স্মাৰক পৰিদৰ্শন কৰে। শ্ৰীমোদীয়ে দেশৰ বাবে সৰ্বোচ্চ ত্যাগ কৰা শ্বহীদ জোৱানসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ দিনটো প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে অতি গুৰুত্বপূৰ্ণ। তেওঁ লগতে এই দিনটোক দেশৰ ৰক্ষকসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ দিন বুলিও অভিহিত কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও কাৰ্গিল বিজয় দিৱস উপলক্ষে শ্বহীদ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো কাৰ্গিল বিজয় দিৱস পালন কৰা হয়। এই উপলক্ষে গোলাঘাটত বীৰচক্ৰ কেপ্তেইন জিণ্টু গগৈৰ সমাধিক্ষেত্ৰত খুমতাইৰ জাছিংফা লেখিকা সমাৰোহৰ উদ্যোগত বিশেষ কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত খুমতাইৰ  বিধায়ক মৃনাল শইকীয়াৰ লগতে জিণ্টু গগৈৰ পৰিয়াল আৰু অঞ্চলবাসীয়ে অংশগ্ৰহণ কৰে। তেজপুৰতো শোণিতপুৰ জিলা যুৱ মৰ্চাই কাৰ্গিল বিজয় দিৱসৰ আয়োজন কৰিছে। এই অনুষ্ঠানত বিধায়ক পৃথ্বিৰাজ ৰাভা, পদ্ম হাজৰিকা আৰু গণেশ লিম্বু উপস্থিত থাকে।

০০০

ৰাজ্যৰ পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি গোলাঘাট জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল আৰু অমৃত বৃক্ষ আন্দোলন সন্দৰ্ভত পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। সভাত মন্ত্ৰীগৰাকীয়ে গোলাঘাট জিলাৰ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভতো আলোচনা কৰি এই বনাঞ্চলবোৰক সংৰক্ষিত বনাঞ্চললৈ ৰূপান্তৰ কৰাৰ বাবে জিলা প্ৰশাসন আৰু বন বিভাগক যুটীয়াভাৱে প্ৰয়োজনীয় জৰীপ চলাবলৈও নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে অমৃত বৃক্ষ আন্দোলনৰ অধীনত চলিত বৰ্ষৰ গোলাঘাট জিলাত গছপুলি ৰোপনৰ বাবে অব্যাহত থকা পঞ্জীয়নৰ সবিশেষ বুজ লয়। উল্লেখযোগ্য যে গোলাঘাট জিলাৰ এই বছৰ অমৃত বৃক্ষ আন্দোলনৰ অধীনত প্ৰায় ১৩ লাখ গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। সেউজ অৰ্থনীতি গঢ় দিয়াত গুৰুত্ব আৰোপ কৰি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে,

যোৱা বছৰ অমৃত বৃক্ষ আন্দোলনৰ অধীনত ১০ টাকৈ বিশ্ব অভিলেখ গঢ়াৰ ক্ষেত্ৰত ৰাজ্যখনৰ আত্মসহায়ক গোটৰ মহিলাসকলৰ সৰ্বাধিক অৱদান আছিল। এই বছৰ মহিসাকলৰ প্ৰ চেষ্টাত আৰু অধিক অভিলেখ গঢ় দিয়াৰ লগতে ৰাজ্যখনত এটা সেউজ পৰিবেশ গঢ় দিব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, অমৃত বৃক্ষ আন্দোলনৰ অধীনত যিসমূহ আত্মসহায়ক গোট, চাহ বাগিছা, শিক্ষানুষ্ঠান, আৰক্ষী, অৰ্ধসামৰিক বাহিনী আৰু অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠান পঞ্জীয়নৰ পৰা বাদ পৰি গৈছিল সেই সংস্থাসমূহে অতি শীঘ্ৰে পঞ্জীয়ন কৰিব পাৰিব যাতে, সময়মতে বিভাগে গছপুলি যোগান ধৰিব পাৰে।

ooo

সমাপ্ত